**অশোক যাদৱ আৰু অন্যান্য**

**বনাম**

**মধ্য প্ৰদেশ চৰকাৰ**

**১৯ নৱেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ ড° এ.এছ. আনন্দ আৰু ন্যায়াধীশ কে.টি. থমাছ]**

ভাৰতীয় দণ্ডবিধি, ১৮৬০:

*অপহৰণ- এটা স্কুললৈ যোৱা শিশুক অপহৰণ- পিছত তেওঁক মৃত অৱস্থাত উদ্ধাৰ-আপীলকাৰীসকলে ৩৬৪ আৰু ৩০২ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰিছিল- অভিযুক্ত পক্ষই অপহৰণৰ অপৰাধৰ সৈতে জড়িত প্ৰমাণ দাখিল কৰিছিল- পৰিস্থিতিগত প্ৰমাণ- উচ্চ ন্যায়ালয়ে সমৰ্থন কৰা দুয়োটা অভিযোগতে বিচাৰ আদালতে দোষী সাব্যস্ত কৰা আৰু শাস্তি প্ৰদান কৰা- ৰায় দিছিল যে, অভিযুক্তই মৃতকক অপহৰণ কৰা বুলি প্ৰমাণ কৰাত অভিযুক্তই দাখিল কৰা প্ৰমাণ স্পষ্ট আৰু পতিয়ন যোগ্য, অৱশ্যে ইয়াৰ পৰা নিশ্চিতভাৱে প্ৰমাণিত হোৱা নাই যে অভিযুক্তই হত্যা সংঘটিত কৰিছিল- আপীলকাৰীয়ে হত্যাকাণ্ড সংঘটিত কৰা বুলি সকলো সন্দেহ আঁতৰাব পৰাকৈ প্ৰমাণৰ শৃংখল সম্পূৰ্ণ হোৱা নাই- হত্যাৰ উদ্দেশ্যেৰে অপহৰণ কৰাৰ তথ্য প্ৰতিষ্ঠা হোৱা নাই ৩৬৪ আৰু ৩০২ ধাৰাৰ অধীনত দোষী সাব্যস্ত আৰু শাস্তি প্ৰত্যাহাৰ কৰা হৈছে- আপীলকাৰীসকলক ৩৬৩ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰা হৈছে আৰু ৫ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হৈছে।*

**ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ: ফৌজদাৰী আপীল নং. ৫৮-৫৯/১৯৯৫**

ফৌজদাৰী আপীল নং. ৪৪ আৰু ৭২/১৯৯১-ত মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৮.৪.৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ এম.এম. কাশ্যপ।

প্ৰতিবাদীৰ হৈ ইউ.এন. বচাৱট, প্ৰশান্ত কুমাৰ আৰু উমা নাথ সিং

ন্যায়ালয়ে নিম্নোলিখিত ৰায় প্ৰদান কৰে-

এই আপীলসমূহ মধ্যপ্ৰদেশৰ উষ্চ ন্যায়ালয়ে ১৯৯৪ চনৰ ৮ এপ্ৰিল তাৰিখে দিয়া ৰায়দানৰ বিৰুদ্ধে কৰা হৈছে, এই ৰায়ে আবেদনকাৰীসকলে তেওঁলোকৰ দোষী সাব্যস্তকৰণ আৰু শাস্তিৰ বিৰুদ্ধে দাখিল কৰা আবেদনসমূহ খাৰিজ কৰিছিল, যিবোৰ ১৯৯১ চনৰ ১৮ জানুৱাৰীত সত্ৰ ন্যায়াধীশে লিপিবদ্ধ কৰিছিল। আবেদনকাৰীসকলক ভাৰতীয় দণ্ডবিধি (আই. পি. চি.)-ৰ ৩৬৪ আৰু ৩০২ নং ধাৰাত দোষী সাব্যস্ত কৰাৰ লগতে পাঁচ বছৰৰ কঠোৰ কাৰাদণ্ডৰ আৰু ৫০০ টকা জৰিমনাৰ দিবলৈ নিৰ্দেশ দিয়া হৈছিল, অনাদায়ে প্ৰথম গোচৰৰ বাবে দুমাহৰ সাধাৰণ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয়। দ্বিতীয়টো গোচৰৰ বাবে তেওঁলোকে যাৱজ্জীৱন কাৰাদণ্ড আৰু ১০০০ টকা জৰিমনা, অনাদায়ে তিনি মাহৰ সাধাৰণ কাৰাদণ্ডৰ শাস্তি লাভ কৰে।

চমুকৈ অভিযোগকাৰী পক্ষৰ গোচৰটো হ'ল যে ১৯৮৭ চনৰ ২ ছেপ্টেম্বৰ তাৰিখে নিশা প্ৰায় ৯.১৫ বজাত সাক্ষী নং ৯ ৰামগোবিন্দ শৰ্মাই স্কুললৈ গৈ ঘূৰি নহা তেওঁৰ পুত্ৰ অৱধেশ শৰ্মা নিৰুদ্দেশ হোৱাৰ সন্দৰ্ভত ঝান্সী ৰোড থানাত এক প্ৰতিবেদন দাখিল কৰে। তেওঁ পুত্ৰৰ বৰ্ণনা আৰু চিনাক্তকৰণৰ তথ্য প্ৰতিবেদনত উল্লেখ কৰিছিল। নিৰুদ্দেশ হোৱা ব্যক্তিৰ প্ৰতিবেদন, প্ৰদৰ্শক পি.-৩, পঞ্জীয়ন কৰাৰ পিছত নিয়ন্ত্ৰণ কক্ষলৈ এটা তথ্য প্ৰেৰণ কৰা হয়। তদন্তৰ সময়ত সাক্ষী নং-১ ৰাম ভৰোচে বাজপেয়ী আৰু সাক্ষী নং-৭ ৰতি ৰামকে ধৰি বিভিন্ন অভিযোগকাৰী পক্ষৰ সাক্ষীৰ বক্তব্য লিপিবদ্ধ কৰা হয়। তেওঁলোকৰ বক্তব্য অনুসৰি তেওঁলোকে মেডিকেল তিনিআলিৰ ৰবি শংকৰ হোষ্টেলৰ ওচৰত আপীলকাৰীৰ সৈতে অৱধেশক দেখা পাইছিল। এই তথ্যৰ ভিত্তিত আপীলকাৰীসকলৰ সন্ধান কৰা হৈছিল। তেওঁলোকক নিজ নিজ ঘৰত বিচাৰি পোৱা নাছিল। ১৯৮৭ চনৰ ৩ ছেপ্টেম্বৰৰ নিশা ১ বজাত ভা.দ.বি. আইনৰ ৩৬৪/৩৪ নং ধাৰাত গোচৰ ৰুজু হৈছিল । অনুসন্ধান আৰম্ভ কৰা হৈছিল আৰু অৱশেষত ছতৰীৰ জোপোহা আৰু গছৰ মাজত অৱধেশৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। মৃতদেহটোৰ এটা পঞ্চনামা প্ৰস্তুত কৰা হৈছিল আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছিল। সাক্ষী ডাঃ ভি. কে. দীৱানে মৰণোত্তৰ পৰীক্ষা কৰিছিল আৰু তেওঁ কেইবাটাও আঘাত প্ৰত্যক্ষ কৰিছিল। তেওঁৰ মতে, মৃতকজনৰ মৃত্যু ডিঙি চেপাৰ ফলত আৰু বুকুত পোৱা আঘাতৰ ফলত হৈছিল, যি আঘাতৰ

ফলত শ্বাস-প্ৰশ্বাসজনিত তন্ত্ৰ বিকল হৈ পৰিছিল। আবেদনকাৰীসকলক ১৯৮৭ চনৰ ৫ ছেপ্টেম্বৰত তদন্তৰ সময়ত গ্ৰেপ্তাৰ কৰা হৈছিল। আবেদনকাৰী গৌৰী শংকৰে কথিতভাৱে স্বীকাৰোক্তি দিছে, আৰু এই স্বীকাৰোক্তি প্ৰমাণ আইনৰ ২৭ নং ধাৰাত বৈধ বুলি গণ্য কৰা হৈছে। এই স্বীকাৰোক্তিৰ ফলত ১৯৮৭ চনৰ ২ ছেপ্টেম্বৰৰ পুৱা স্কুললৈ যোৱাৰ সময়ত মৃতকৰ বুলি অভিযোগকাৰী পক্ষই দাবী কৰা এটা ঘড়ী উদ্ধাৰ কৰা হয়। আবেদনকাৰী মোহনে অভিযোগ অনুসৰি প্ৰমাণ আইনৰ ২৭ নং ধাৰাৰ অধীনত গ্ৰহণযোগ্য বিবৃতি দিছিল যাৰ ফলত এটা কলম উদ্ধাৰ হৈছিল আনহাতে আবেদনকাৰী বীৰান্দ্ৰই অভিযোগ অনুসৰি প্ৰমাণ আইনৰ ২৭ নং ধাৰাৰ অধীনত গ্ৰহণযোগ্য বিবৃতি দিছিল যাৰ ফলত এটা ডট পেন উদ্ধাৰ হৈছিল। আবেদনকাৰী অশোকৰ পৰা কোনো সামগ্ৰী উদ্ধাৰ হোৱা নাই।

উদ্ধাৰ হোৱা সামগ্ৰীসমূহ চিনাক্তকৰণৰ বাবে আৰক্ষী থানালৈ প্ৰেৰণ কৰা হৈছিল আৰু শ্ৰী বি.কে. আগৰৱালা, সাক্ষী নং-১১ নাইব তহচিলদাৰে ১৯৮৭ চনৰ ১৮ ছেপ্টেম্বৰত গোৱালিয়ৰৰ তহচিল কাৰ্যালয়ত চিনাক্তকৰণ পেৰেড অনুষ্ঠিত কৰে। সাক্ষী নং-৩ ৰামগোবিন্দ শৰ্মা আৰু তেওঁৰ পত্নী সাক্ষী নং-১০ সৰোজে জব্দ কৰা সামগ্ৰীসমূহ ঘটনাৰ দিনটোত মৃতকে লগত লৈ যোৱা সামগ্ৰী বুলি চিনাক্ত কৰে। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত আবেদনকাৰীসকলক বিচাৰৰ বাবে প্ৰেৰণ কৰা হৈছিল আৰু ইতিমধ্যে উল্লেখ কৰা অনুসৰি দোষী সাব্যস্ত কৰা হৈছিল আৰু শাস্তি প্ৰদান কৰা হৈছিল।

এই গোচৰৰ কোনো প্ৰত্যক্ষ সাক্ষী নাই। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয় - দুযোখনেই আপীলকাৰীসকলক অপৰাধৰ সৈতে সংযোগ কৰিবলৈ তলত উল্লেখ কৰা পৰিস্থিতিসমূহৰ ওপৰত নিৰ্ভৰ কৰিছে :

"(i) উদ্দেশ্য;

(ii) মৃতকক শেষবাৰৰ বাবে অভিযুক্তৰ লগত দেখা পোৱা;

(iii) মৃতকৰ সামগ্ৰী উদ্ধাৰ কৰা;

(iv) মৃতকৰ ফালৰ পৰা পলাতক হোৱাৰ তথ্য।"

দুয়োখন আদালতে সকলো পৰিস্থিতি ৰেকৰ্ডত থকা প্ৰমাণৰ পৰা প্ৰতিষ্ঠা হোৱা বুলি বিবেচনা কৰে আৰু পৰিস্থিতিয়ে নিৰ্ণায়কভাৱে প্ৰতিষ্ঠা কৰিলে যে আপীলকাৰীসকল যিবোৰ অপৰাধৰ অভিযোগত অভিযুক্ত কৰা হৈছিল, সেইবোৰৰ বাবে তেওঁলোক দোষী।

আমি দুয়োপক্ষৰ বিদ্বান অধিবক্তাসকলৰ যুক্তিসমূহ শুনিছোঁ আৰু ৰেকৰ্ডসমূহ পৰীক্ষা কৰিছো।

## উদ্দেশ্য

খেমৰাজ বৰুণক আঘাত কৰা গোচৰত অশোক কুমাৰৰ ভাতৃ জড়িত থকাৰ বাবে আৰু ৯ নং সাক্ষী ৰামগোবিন্দ শৰ্মা সেই গোচৰৰ সাক্ষী আছিল বাবে অৱধেশক হত্যা কৰা হৈছে বুলি বিচাৰ বিভাগে দাবী কৰিছে। অভিযোগ কৰা হৈছে যে ১৯৮৭ চনৰ ১ ছেপ্টেম্বৰত অৰ্থাৎ এই ঘটনাৰ এদিন আগতে আবেদনকাৰীসকলে সাক্ষী নং ৯-ক সতৰ্ক কৰি দিছিল যে তেওঁ খেমৰাজ বৰুণৰ গোচৰত সাক্ষী হিচাপে উপস্থিত হ'ব নালাগে, কিন্তু সাক্ষী নং-৯ এ আপীলকাৰীসকলৰ কথাক অস্বীকাৰ কৰিছিল, সেয়েহে তেওঁলোকে অৱধেশক অপহৰণ কৰি হত্যা কৰিছিল। বিচাৰ বিভাগে উপস্থাপন কৰা উদ্দেশ্যটো আমি দুৰ্বল বুলি বিবেচনা কৰোঁ। অশোকৰ সৈতে আন আপীলকাৰীসকলৰ কেনে সম্পৰ্ক আছে সেয়া বিচাৰ বিভাগে দেখুৱাব পৰা নাই। প্ৰতিবেদনত (প্ৰ. পি-৩) বা এজাহাৰত উদ্দেশ্যৰ কথা উল্লেখ কৰা হোৱা নাই। বিচাৰৰ সময়ত মৃতকৰ মাতৃ সাক্ষী নং-১০ সৰোজে সাক্ষী নং-৯ৰ বক্তব্যক সমৰ্থন কৰিবলৈ নিজৰ কাহিনী সলনি কৰিছিল যদিও এই উদ্দেশ্যক সমৰ্থন কৰা আন কোনো প্ৰমাণ পোৱা নাই। এই পৰিস্থিতি প্ৰমাণিত হৈছে বুলি আমি বিশ্বাস নকৰো। ইয়াৰ উপৰিও সাক্ষী নং ৯-য়ে অশোকৰ ভাতৃৰ বিৰুদ্ধে সাক্ষ্য দিবলৈ যোৱাটোৱেই সাক্ষী নং ৯-ৰ একমাত্ৰ পুত্ৰক হত্যা কৰাৰ পৰ্যাপ্ত কাৰণ যেন নাথাকে।

## উদ্ধাৰৰ তথ্য

গৌৰী শংকৰ, মোহন, আৰু বীৰেন্দ্ৰৰ বক্তব্যৰ ভিত্তিত বিচাৰ বিভাগে এটা ঘড়ী (প্ৰ. পি-৪), এটা কলম (প্ৰ. পি-৯), আৰু এটা ডট পেন (প্ৰ. পি-১২) উদ্ধাৰ কৰিছিল, যিবোৰক প্ৰমাণ আইনৰ ২৭ নং ধাৰাত গ্ৰহণযোগ্য বুলি দাবী কৰা হৈছিল।

উদ্ধাৰৰ সন্দৰ্ভত তদন্তকাৰী বিষয়া মহেন্দৰ পৰতাপ সিং (সাক্ষী নং ১২)ৰ বাহিৰে মাত্ৰ এজন সাক্ষীয়েহে সাক্ষ্য দিছিল, তেওঁ হৈছে পৰমল সিং ((সাক্ষী নং ৬), যি অঞ্চলটোৰ বাসিন্দা নাছিল আৰু বক্তব্য দিয়াৰ অভিযোগ উত্থাপন হোৱাৰ সময়ত তেওঁ কিয় থানাত উপস্থিত আছিল সেই কথা বুজাব পৰা নাছিল। বিচাৰ বিভাগে কলমটো (প্ৰ. পি-৯)আৰু ডট পেনটোক (প্ৰ. পি-১২) মৃতকৰ সৈতে সংযোগ কৰিবলৈ চেষ্টা কৰিছিল কাৰণ সেইবোৰত তেওঁৰ নাম লিখা আছিল। জেৰাৰ সময়ত তদন্তকাৰী বিষয়াজনে স্বীকাৰ কৰে যে কলম আৰু ডট পেনৰ মূল্য বজাৰত প্ৰায় ১ টকা বা ২ টকা, আৰু সহজে পোৱা যায়। মোহন আৰু বীৰেন্দ্ৰৰ ইংগিতত যেতিয়া কলমবোৰ পোৱা গৈছিল বুলি কোৱা হৈছিল, তেতিয়া সেই কলমত অৱধেশৰ নাম লিখা আছিল বুলি ৬নং সাক্ষী পৰমল সিঙে বিচাৰৰ সময়ত সাক্ষ্য দিয়া নাছিল । অৱধেশৰ নাম কলমত থকাৰ দাবী বিচাৰৰ সময়তহে উত্থাপন হয়। যিয়ে কলম আৰু ডট পেন উদ্ধাৰৰ কাহিনীকলৈ সন্দেহৰ সৃষ্টি কৰে। এজাহাৰত ঘড়ীটোৰ বিষয়ে কোনো উল্লেখ নথকাৰ বাবে ইয়াৰ উদ্ধাৰক লৈ প্ৰশ্ন উত্থাপন হৈছে। উদ্ধাৰ হোৱা ঘড়ীটো (পি ৮) হৈছে মহিলাৰ হাতঘড়ী। বিচাৰৰ সময়ত সাক্ষী নং ৯ য়ে বুজাবলৈ চেষ্টা কৰিছিল যে তেওঁ পত্নী সৰোজৰ(সাক্ষী নং ১০) বাবে ঘড়ীটো কিনিছিল, আৰু মৃতকে স্কুললৈ যোৱাৰ সময়ত ঘড়ীটো পিন্ধি গৈছিল। এইটো তথ্য পিছলৈ বিবেচনা কৰি সংযোগ কৰা যেনহে লাগে কাৰণ যদি সঁচা হ'লহেঁতেন তেন্তে সাক্ষী নং ৯-য়ে এজাহাৰত উল্লেখ কৰা উচিত আছিল যে মৃতকে ঘড়ীটো পিন্ধিছিল। এই উদ্ধাৰে সন্দেহৰ সৃষ্টি কৰিছে আৰু ইয়াক অভিযোগকাৰী পক্ষৰ গোচৰক সমৰ্থন কৰিবলৈ ব্যৱহাৰ কৰা যেন লাগে। পৰমল সিঙৰ (সাক্ষী নং ৬) সাক্ষ্যক প্ৰতিষ্ঠিত তথ্যৰ সমান্তৰালভাৱে বিবেচনা কৰিলে তেওঁৰ বিশ্বাসযোগ্যতাৰ ওপৰত আৰু এইদৰে কৰা উদ্ধাৰৰ সত্যতাৰ ওপৰত সন্দেহৰ সৃষ্টি হয়। ফলস্বৰূপে গতিকে আমি উদ্ধাৰ কৰা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰো আৰু আমাৰ মতে উদ্ধাৰকৃত সামগ্ৰীসমূহে আপীলকাৰীসকলৰ অপৰাধত জড়িত হোৱাটো প্ৰমাণ কৰিব নোৱাৰে।

**পলায়ন**

পলায়নৰ প্ৰমাণৰ সন্দৰ্ভত ক'বলৈ গ'লে ই অসামঞ্জস্যপূৰ্ণ আৰু দুৰ্বল। বিচাৰৰ গোচৰ অনুসৰি, এই পৰিঘটনা ১৯৮৭ চনৰ ২ ছেপ্টেম্বৰত সংঘটিত হৈছিল।

অভিযোগৰ মতে, ১৯৮৭ চনৰ ৬ ছেপ্টেম্বৰত আপীলকাৰীসকলক গ্রেপ্তাৰ কৰা হৈছিল যদিও প্ৰতিৰক্ষাই প্ৰমাণ দাখিল কৰিছিল যে ১৯৮৭ চনৰ ৩ ছেপ্টেম্বৰত ইতিমধ্যেই এজন আপীলকাৰী আৰক্ষীৰ জিম্মাত আছিল। যিয়েই নহওক, ১৯৮৭ চনৰ ৩/৪ ছেপ্টেম্বৰত পঞ্জীয়ন হোৱা গোচৰটোত ১৯৮৭ চনৰ ৬ ছেপ্টেম্বৰত আপীলকাৰীসকলক গ্ৰেপ্তাৰ কৰাটো হত্যাকাণ্ডৰ সৈতে জড়িত কৰিব পৰাকৈ যথেষ্ট শক্তিশালী পৰিস্থিতি নহয়। গতিকে এই পৰিস্থিতিক আপীলকাৰীসকলক হত্যাকাণ্ডৰ সৈতে সংযোগ কৰা প্ৰমাণ হিচাপে গণ্য কৰা উচিত নহয়।

## শেষবাৰৰ বাবে একেলগে দেখা

১ নং সাক্ষী ৰাম ভৰোচে বাজপেয়ীয়ে সাক্ষ্য দিছিল যে তেওঁ কাটোৰা টাইৰ ওচৰত চাইকেলত মৃতকৰ সৈতে আপীলকাৰীসকলক দেখা পাইছিল। ৭ নং সাক্ষী ৰতি ৰামেও কয় যে তেওঁ কাটোৰা টাইৰ ওচৰত আপীলকাৰীৰ সৈতে মৃতকক দেখা পাইছিল। উচিত কাৰণ দাঙি ধৰাৰ পিছত দুয়োখন আদালতে তেওঁলোকৰ বক্তব্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। ৫ নং সাক্ষীয়ে আপীলকাৰীৰ সৈতে মৃতকক দেখা বুলি কোৱা নাই যদিও ঘটনাৰ দিনটোত ছত্ৰীৰ বাহিৰত আপীলকাৰীক দেখাৰ কথা উল্লেখ কৰে। আদালতে সঠিকভাৱে সাক্ষী নং ১, ৫, আৰু ৭-ৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল, কিন্তু ইয়াৰ দ্বাৰা কেৱল প্ৰমাণিত হয় যে আপীলকাৰীসকলে সেইদিনা মৃতকক অপহৰণ কৰিছিল, ইয়াতকৈ বেছি একো নহয়। এই সকলো সাক্ষীৰ প্ৰমাণ আমি মানি ল'লেও ইয়াৰ দ্বাৰা আপীলকাৰীয়ে হত্যাকাণ্ড সংঘটিত কৰা বুলি প্ৰমাণিত নহয়। সঁচাকৈয়ে অভধেশ কুমাৰৰ মৃত্যু হত্যাকাণ্ডই আছিল, কিন্তু যদিহে বিচাৰ বিভাগে যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণ কৰিব নোৱাৰে যে হত্যাকাণ্ডৰ বাবে আপীলকাৰীসকল একমাত্ৰ দায়ী আছিল, তেন্তে ভা.দ.বি.-ৰ ধাৰা ৩০২ৰ অধীনত তেওঁলোকৰ দোষী সাব্যস্ত হোৱাটো স্থায়ী হ'ব নোৱাৰি। "শেষবাৰৰ বাবে একেলগে দেখা"ৰ বিষয়ে বিচাৰ বিভাগৰ নেতৃত্বত দিয়া প্ৰমাণসমূহে কেৱল আবেদনকাৰীসকলহে হত্যাৰ অপৰাধী এই ধাৰণাক সমৰ্থন নকৰে; ইয়াক বেলেগ ধৰণেও ব্যাখ্যা কৰিব পাৰি। আমাৰ মতে বিচাৰ বিভাগৰ নেতৃত্বত পোৱা প্ৰমাণসমূহ মৃতক অপহৰণ সন্দৰ্ভত নিৰ্ণায়ক যদিও হত্যাকাণ্ডৰ সন্দৰ্ভত নিৰ্ণায়ক নহয়। আপীলকাৰীসকলে অৱধেশৰ হত্যাকাণ্ড সংঘটিত কৰিছিল বুলি সকলো সন্দেহ দূৰ কৰিব পৰাকৈ প্ৰমাণৰ

শৃংখলটো শক্তিশালী নহয়। হয়তো, তেওঁলোকে কৰিছিল কিন্তু সেয়াই যথেষ্ট নহয়। বিচাৰ বিভাগে প্ৰতিষ্ঠা কৰিব লাগিব যে অভিযুক্তইহে হত্যাকাণ্ড সংঘটিত কৰিছিল। এই গোচৰত বিচাৰ বিভাগে এই কথা প্ৰমাণ কৰাত ব্যৰ্থ হৈছে। ভা.দ.বি.-ৰ ধাৰা ৩০২-ৰ অধীনত অপৰাধৰ বাবে আপীলকাৰীসকলৰ দোষী সাব্যস্ত হোৱাটো বাহাল ৰাখিব নোৱাৰি আৰু ইয়াৰ দ্বাৰা ইয়াক বাতিল কৰা হৈছে। একেদৰে ভা.দ.বি.-ৰ ধাৰা ৩৬৪ৰ অধীনত দোষী সাব্যস্ত হোৱাটোও সমৰ্থন কৰিব নোৱাৰি কাৰণ অপহৰণটো হত্যাৰ উদ্দেশ্যেৰে হোৱাটো বাধ্যতামূলক নহয়। কিন্তু যিহেতু আমি সাক্ষী নং ১, ৫, আৰু ৭-ৰ প্ৰমাণৰ লগতে সাক্ষী নং ৯ আৰু ১০-ৰ বক্তব্যৰ কিছু অংশ গ্ৰহণ কৰিছো, সেয়েহে বিচাৰ বিভাগে যুক্তিসংগত সন্দেহৰ বাহিৰত সফলতাৰে প্ৰমাণ কৰিছে যে আপীলকাৰীসকলে ভা.দ.বি.-ৰ ধাৰা ৩৬৩-ৰ অধীনত অপৰাধ সংঘটিত কৰিছিল।

সেই অনুসৰি, আমি ভা.দ.বি.-ৰ ধাৰা ৩০২ আৰু ৩৬৪-ৰ অধীনত আপীলকাৰীসকলৰ হত্যা আৰু অপহৰণৰ দোষত দোষী সাব্যস্ত হোৱাটো আৰু শাস্তি বাতিল কৰিছো, তাৰ পৰিৱৰ্তে তেওঁলোকক ভা.দ.বি.-ৰ ধাৰা ৩৬৩-ৰ অধীনত অপৰাধৰ বাবে দোষী সাব্যস্ত কৰি পাঁচ বছৰৰ কঠোৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছো। যদি আপীলকাৰীসকলে ইতিমধ্যে আমি দিয়া শাস্তি পাৰ কৰিছে, তেন্তে আন কোনো গোচৰৰ বাবে প্ৰয়োজন নহ'লে তেওঁলোকক তৎক্ষণাত মুকলি কৰি দিব পাৰে।

আৰ. পি.

আপীল মঞ্জুৰ কৰা হ'ল।

*অনুবাদক- মায়াশ্ৰী মহন্ত, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“